**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-05-2025
**Time :** 1220  Hrs

***Assamese Midday Bulletin***
**--------------------**

oooooo

ৰাজ্যত দুটা পৰ্যায়ত অনুষ্ঠিত পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা চলি আছে। ৰাজ্যৰ ২৭ খন জিলাত একেলগে ভোটগণনা প্ৰক্ৰিয়া আৰম্ভ হৈছে। নিৰ্বাচন ২৫ হাজাৰ ৭টা কেন্দ্ৰত বেলটযোগে অনুষ্ঠিত হৈছিল। ভোটদাতাসকলে ২১ হাজাৰ ৯২০ খন গাঁও পঞ্চায়ত, ২ হাজাৰ ১৯১ খন আঞ্চলিক পঞ্চায়ত আৰু ৩৯৭টা জিলা পৰিষদৰ সদস্য পদৰ বাবে অনুষ্ঠিত নিৰ্বাচনত নিজ নিজ ভোটাধিকাৰ সাব্যস্ত কৰে। আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ একাংশ পদত ইতিমধ্যে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। এইবাৰ গাঁওপঞ্চায়ত সদস্যৰ বাবে কোনো দলীয় প্ৰাৰ্থী নাছিল, ৰাজনৈতিক দলৰ সলনি নিৰ্দলীয়ভাৱে প্ৰাৰ্থীসকলে প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়।

ভোটগণনাৰ সময়ত যাতে কোনো অপ্ৰীতিকৰ পৰিস্থিতি নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশাসনে জিলাই জিলাই নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে।

oooooo

**সমৰ্থ প’ৰ্টেলৰ** জৰিয়তে শিক্ষাৰ্থীসকলে কাইলৈৰ পৰা চলিত ২০২৫-২৬ বৰ্ষত স্নাতক পাঠ্যক্ৰমত নিজৰ নাম পঞ্জীয়ন কৰিব পাৰিব। ৰাজ্যৰ শিক্ষা বিভাগে এই সন্দৰ্ভত জাননী জাৰি কৰিছে। নিৰ্দেশনা অনুসৰি অনা উমৈহতীয়া বিশ্ববিদ্যালয় বাছনি পৰীক্ষা অৰ্থাৎ ন’ন চি ইউ ই টিৰ প্ৰাৰ্থীসকলৰ ক্ষেত্ৰত কাইলৈৰ পৰা ২২ মে’লৈকে আবেদনকাৰীৰ দ্বাৰা পাঠ্যক্ৰম নিৰ্বাচন আৰু শিক্ষানুষ্ঠানৰ দ্বাৰা আবেদনসমূহৰ পৰীক্ষণ প্ৰক্ৰিয়া আৰম্ভ হ’ব। ২৯ মে’ৰ পৰা ১ জুনৰ ভিতৰত প্ৰথমখন মেধা তালিকা প্ৰস্তুত কৰি চূড়ান্ত কৰাৰ লগতে ২ জুনত প্ৰথম মেধা তালিকা প্ৰকাশ পাব। ৪ জুন আৰু ৫ জুনত প্ৰথম মেধা তালিকাত অন্তৰ্ভুক্ত ছাত্ৰ-ছাত্ৰীসকলৰ নামভৰ্তিৰ প্ৰক্ৰিয়া আৰম্ভ হ’ব। ৭ জুনত দ্বিতীয়খন মেধা তালিকা প্ৰকাশ পাব। ৯ জুন আৰু ১০ জুনত তালিকাখনত অন্তৰ্ভুক্ত হোৱা শিক্ষাৰ্থীসকলৰ নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হ’ব। ১১ জুনৰ পৰা ১৪ জুনলৈকে পোনপটীয়া নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হ’ব। অহা ১ আগষ্টৰ পৰা প্ৰথম ষান্মাষিকৰ শ্ৰেণীসমূহ আৰম্ভ হ’ব। উমৈহতীয়া বিশ্ববিদ্যালয় বাছনি পৰীক্ষা অৰ্থাৎ চি ইউ ই টিৰ জৰিয়তে নিৰ্বাচিত প্ৰাৰ্থীসকলৰ নামভৰ্তি প্ৰক্ৰিয়া ৫ জুলাইৰ পৰা আৰম্ভ হ’ব।

oooooo

নগাঁও জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ত ২০২৪-২৫ বিত্তীয় বৰ্ষত ৯৫ কোটি ৮০ লাখ ২৮ হাজাৰ টকাৰো অধিক ৰাজহ সংগ্ৰহ কৰিবলৈ সমৰ্থ হৈছে। জিলা পৰিবহণ বিষয়াৰ কাৰ্যালত যান-বাহন পৰিদৰ্শক, বিধি-বলৱৎকাৰী পৰিদৰ্শক তথা বিষয়া-কৰ্মচাৰীৰ প্ৰচেষ্টাৰ ফলত বিভাগটোৱে এই অভিলেখ পৰিমাণৰ ৰাজহ সংগ্ৰহ

কৰিছে।  বিগত বিত্তীয় বৰ্ষৰ মাৰ্চ মাহত ৰাজ্যৰ পৰিবহণ আয়ুক্তৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই যান-বাহনৰ গৰাকীসকলে বকেয়া কৰ আদায় দিয়াৰ পৰিপ্ৰেক্ষিতত বিভাগটোৱে ১১ কোটি টকাৰো অধিক ৰাজহ সংগ্ৰহ কৰে। ইয়াৰ আগয়ে জানুৱাৰীত ৯ কোটি ৯৪ লাখ টকাৰো অধিক আৰু ফেব্ৰুৱাৰীত ৭ কোটি ৫৫ লাখ টকাৰো অধিক ৰাজহ বিভাগটোৱে সংগ্ৰহ কৰিছিল।

০০০০০০

গোলাঘাট জিলাৰ খুমটাইৰ মৌখোৱাত আজি পুৱা বিদ্যুৎস্পৃষ্ট হৈ এজন ছাত্ৰৰ মৃত্যু হয়। এই ঘটনাত দুগৰাকী গুৰুতৰভাৱে আহত হয়। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি পুৱা টিউচন কৰিবলৈ অহা তিনিগৰাকী ছাত্ৰ-ছাত্ৰীৰ গাত বিদ্যুৎ প্ৰৱাহিত তাঁৰ ছিগি পৰে আৰু লগে লগে মৌখোৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰ ছাজিদুৰ ৰহমানৰ মৃত্যু হয়। বিদ্যুৎ প্ৰবাহৰ ফলত  সপ্তম শ্ৰেণীৰ ছাত্ৰী ফাৰিহা আহমেদ আৰু অষ্টম শ্ৰেণীৰ ছাত্ৰ ছফিকুল আহমেদ গুৰুতৰভাৱে আহত হয়। দুয়োগৰাকীকে চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

০০০০০০

জম্মু-কাশ্মীৰৰ পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক লৈ দেশবিৰোধী মন্তব্য কৰাৰ অভিযোগত অসম আৰক্ষীয়ে এই পৰ্যন্ত ৫০ জন লোকক গ্ৰেপ্তাৰ কৰিছে। বিশ্বনাথ আৰক্ষীয়ে কালি জববুৰ ইছলাম আৰু মৰিগাঁও আৰক্ষী ৰুহুল আমিন নামৰ লোকজনক গ্ৰেপ্তাৰ কৰে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰি অসম আৰক্ষী এই অভিযান পৰৱৰ্তী সময়তো অব্যাহত থাকিব বুলি উল্লেখ কৰে। তেওঁ লগতে জনসাধাৰণক এনে দেশ বিৰোধী মন্তব্য দৃষ্টিগোচৰ হোৱা মাত্ৰেই প্ৰশাসনক অৱগত কৰিবলৈ আহ্বান জনায়।

উল্লেখযোগ্য যে ভাৰত বিৰোধী মন্তব্য কৰাৰ অভিযোগত কাছাৰৰ পৰা সৰ্বাধিক ছজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

০০০০০০

চিকিমৰ জৰেথাং আৰু লেগচিত হৈ মেলিৰ পৰা দেন্তামলৈ নতুন ৰে'লপথৰ জৰীপ কাৰ্যৰ বাবে ২ কোটি ২৫ লাখ টকাৰ অনুমোদন দিয়া হৈছে। ৰে'ল মন্ত্ৰালয়ে ইতিমধ্যে স্থানৰ চূড়ান্ত জৰীপত অনুমোদন জনাইছে। ভাৰত-নেপাল সীমান্তত অৱস্থিত দেন্তামৰ দৰে আওহতীয়া চহৰক ৰাষ্ট্ৰীয় ৰে'ল নেটৱৰ্কৰ সৈতে সংযোগ কৰাৰ লক্ষ্যৰে এই প্ৰকল্প ৰূপায়ণ কৰা হ'ব।

০০০০০০

যোৰহাট জিলা ডবা সন্থাৰ সোণালী জয়ন্তীৰ বছৰ জোৰা কাৰ্যসূচীৰ অংশ হিচাপে অহা ১৬ৰ পৰা ১৮ মে'লৈ সদৌ অসম আন্তঃজিলা ৭ বছৰ, ৯ বছৰ আৰু ১১ বছৰ অনুৰ্ধবৰ ডবা প্ৰতিযোগিতা যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। ২০ৰ পৰা ২৮ জুলাইলৈকে সদৌ অসম মুকলি মহিলা আৰু ১৩ তথা ১৭ বছৰ অনুধৰ্বৰ ডবা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বছৰটোৰ শেষৰ ফালে এখন আন্তঃৰাষ্ট্ৰীয় ফিডেৰেটিং ডবা প্ৰতিযোগিতা আৰু অন্যান্য কাৰ্যসূচীৰো আয়োজন কৰা হৈছে।

০০০০০০

সমাপ্ত